# ১ নৱেম্বৰৰ পৰা ৰাভা হাছং সুৰক্ষা পৰিষদৰ আন্দোলন

ষ্টাফ ৰিপৰ্টাৰ

গুৱাহাটী, ২৬ অক্টোবৰ ঃ এখনৰ পিছত এখনকৈ চুক্তি কৰি জনজাতি সকলৰ বাবে স্বায়ত্ত শাসনৰ নতুন ফৰ্মুলা আৱিষ্কাৰ কৰা প্ৰাক্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই তাহানি ৰাভা চুক্তিক লৈ কৰা এক অপ-কৌশলে ৰাভাসকলৰ সমস্যাটো আজিও অমীমাংসিত কৰি ৰাখিছে আৰু ইয়াকে লৈ 'ৰাভা হাছং সুৰক্ষা পৰিষদে' অহা এক নৱেম্বৰৰ পৰা পুনৰ মাহজোৰা আন্দোলন কৰিবলৈ উদ্যত হৈছে। গণ সমাবেশ, অৱস্থান ধৰ্মঘটৰ বিভিন্ন কাৰ্যসূচীৰে ঘোষণা কৰা উক্ত আন্দোলনৰ কাৰ্যসূচী সম্বন্ধে আজি পৰিষদে মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তক অৱগত কৰিছে। ১৯৯৬ চনৰে পৰা শাসনাধিষ্ঠিত অ গ প দলৰ সৈতে সহযোগিতা কৰি যোৱা আৰু বৰ্তমানে ৰাভা স্বায়ত্ত শাসিত পৰিষদৰ শাসনত থকা পৰিষদৰ এনে আন্দোলনে ৰাজনৈতিক ভাৱেও গুৰুত্ব লাভ কৰিছে। অৱশ্যে পৰিষদৰ তেনে সিদ্ধান্তৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰৰ তাৎক্ষণিক স্থিতি কি জানিব পৰা হোৱা নাই।

উল্লেখযোগ্য যে ৰাভা চুক্তিৰ পিছত ৰাজ্য চৰকাৰে প্ৰণয়ন কৰা 'ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদ আইন ১৯৯৫'ত থকা কেতবোৰ ত্ৰুটীৰ সংশোধন বিচাৰিয়েই পৰিষদে ৰাজ্য চৰকাৰক তাহানি শইকীয়া চৰকাৰৰ দিনৰে পৰা কৰি অহা দাবীটোৰ বৰ্তমানৰ মহন্ত চৰকাৰেও পূৰণ নকৰাত আজিৰ এই পৰিস্থিতিৰ উদ্ভৱ হৈছে।

পৰিষদৰ সভাপতি তথা স্বায়ত্ত শাসিত পৰিষদখনৰ মুখ্য কাৰ্যবাহী সদস্য শৰৎ চন্দ্ৰ ৰাভা আৰু পৰিষদৰ সাধাৰণ সম্পাদক তথা স্বায়ত্ত শাসিত পৰিষদৰ কাৰ্যবাহী সদস্য ডাঃ শৰৎ চন্দ্ৰ ৰাভাই আজি 'দৈনিক অসম'ক জনোৱা মতে 'ৰাভা চুক্তি'ত থকা এটা বিশেষ বাক্য পৰৱৰ্তী কালত আইনখনত কৌশলেৰে অৰ্পণ কৰি শইকীয়া চৰকাৰে কৰি যোৱা ধাৰচাজিৰ ফলত এতিয়া সমস্ত ৰাভা চুক্তিখনেই ৰূপায়ণ কৰিব নোৱাৰা হৈ পৰিল। ১৯৯৫ চনৰ দহ মাৰ্চত প্ৰয়াত মুখ্যমন্ত্ৰী শইকীয়াৰ উপস্থিতিত ৰাজ্যৰ ভূতপূৰ্ব মুখ্য সচিব অৰুণোদয় ভট্টাচাৰ্য আৰু পৰিষদৰ মাজত স্বাক্ষৰিত চুক্তিখনত প্ৰস্তাৱিত ৰাভা হাছং গাওঁ পৰিষদ সমূহ গঠন কৰিবলৈ হ'লে '৫০ শতাংশৰ অধিক জনজাতি লোক' থাকিব লাগিব বুলি এটা চৰ্ত আছিল—কিন্তু তাৎপৰ্যপূৰ্ণভাৱে পৰৱৰ্তী কালত ৰাভা-হাছং স্বায়ত্ত শাসিত পৰিষদ আইন ১৯৯৫ত তেনে গাওঁ পৰিষদ সমূহ গঠনৰ ক্ষেত্ৰত '৫০ শতাংশৰ অধিক ৰাভা সম্প্ৰদায়ৰ' লোক থাকিব লাগিব বুলি এটা বাক্য সন্নিৱিষ্ট কৰা হয়। অৰ্থাৎ চুক্তিত থকা 'জনজাতি লোক' শব্দৰ ঠাইত আইনত উল্লেখ কৰা হয় 'ৰাভা সম্প্ৰদায়ৰ লোক' শব্দকেইটা আৰু ইয়াৰ লগে লগে চুক্তিখনৰ সামগ্ৰিক উদ্দেশ্যই সলনি হৈ যায়। স্বাভাৱিকতেই প্ৰস্তাৱিত পৰিষদ এলেকাৰ বহু ঠাইত পঞ্চাছ শতাংশতকৈ অধিক ৰাভা লোক নথকাত তেনে গাওঁ পৰিষদ গঠন অসম্ভৱ হৈ পৰে আৰু একেদৰে সমগ্ৰ ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদ এলেকাত অন্তৰ্ভুক্ত হ'ব পৰা গাৱঁৰ সংখ্যাও কমি যায়। সভাপতি ৰাভাই কোৱা মতে এনেদৰে 'জনজাতি' শব্দৰ ঠাইত 'ৰাভা সম্প্ৰদায়' শব্দৰ প্ৰয়োগৰ ফলত সুৰক্ষা পৰিষদে দাবী কৰা ৮৩০ খন গাৱঁৰ সংখ্যা হ্ৰাস হৈ হয়গৈ মাত্ৰ ৩০৬ খন। এনেদৰেই আমোলা আৰু ৰাজনীতিকৰ চাতুৰীৰ জৰিয়তে এটা জনগোষ্ঠীক প্ৰৱঞ্চিত কৰা হ'ল।

উল্লেখ যোগ্য যে এতিয়া পৰিষদে উক্ত আইনখন সংশোধন কৰি পৰিষদৰ বাবে এটা সুনিৰ্দিষ্ট পৰিসীমা নিৰ্দ্ধাৰণ কৰিবলৈ মহন্ত চৰকাৰৰ ওচৰত দাবী তুলিছে। পৰিষদ এলেকাৰ ভিতৰত সংহত জনজাতি উন্নয়ন প্ৰকল্প আৰু জনজাতি খণ্ড, আৰেষ্টনীৰ অন্তৰ্ভুক্ত ৰাজহ গাওঁবোৰ অন্তৰ্ভুক্ত কৰিবলৈও পৰিষদে দাবী কৰিছে। আজি মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰা স্মাৰক-পত্ৰত লগতে স্বায়ত্ত শাসিত পৰিষদলৈ হস্তান্তৰ কৰিবলগীয়া ৩৪ টা বিভাগৰ হস্তান্তৰকৰণ নোহোৱা, পৰিষদলৈ বাজেট অনুযায়ী পুঁজিৰ যোগান নোহোৱা বিষয়বোৰৰো উল্লেখ কৰা হৈছে। চুক্তিত থকা মতেই পৰিষদ এলেকাত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত নকৰিবলৈও সুৰক্ষা পৰিষদে ৰাজ্য চৰকাৰক সকীয়াই দিছে আৰু তাৰ পৰিৱৰ্তে ৰাভা হাছং গাওঁ পৰিষদৰ নিৰ্বাচন পাতিবলৈ পৰিষদে দাবী জনাইছে।

OKDISCD